সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩৩ সংখ্যা, ৫ ভাদ, ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 33 * Date Of Publication - 22August 2021 Rs. 5.00/-

## বিজেপি চৰকাৰৰ কাৰ্যভাৰৰ ১০০ দিনত ৰাজ্যবাসীলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপহাৰ



বাৰ্ত্তাসেৱা- * প্ৰতি মাহত এখনকৈ কেবিনেট বৈঠক অনুষ্ঠিত হ'ব একোখনকৈ জিলা সদৰত।

* ছেপ্টেম্বৰত ধেমাজিত অনুষ্ঠিত হ'ব প্ৰথমখন কেবিনেট।

* গুৱাহাটীৰ পুৰণি কাৰাগাৰৰ লগতে তিনিটা স্থানত তিনিখন নতুন উদ্যান স্থাপনৰ কাম আৰম্ভ ।

* ৰাজ্যত দৈনিক ১০ লাখ লিটাৰ গাখীৰ উৎপাদনৰ ব্যৱস্থা।

* সকলো বাছচালক- হেণ্ডিমেনক ১০ হেজাৰ টকাৰ আৰ্থিক সাহায্য ঘোষণা।

* মন্দিৰৰ পূজাৰী, নামঘৰীয়াক দিয়া হ'ব ১৫ হেজাৰকৈ টকা।

* চৰকাৰী আৰ্থিক সাহায্য লাভ কৰিব কলা-কুশলী, ষ্ট্ৰীট ভেণ্ডৰ, মাইকমেন, টেণ্ট হাউছৰ কৰ্মচাৰীয়েও।

* চন্দ্ৰপুৰত নতুন ষ্টেডিয়াম, ৫০টা সমষ্টি-১০খন জিলাত স্পৰ্টছ কমপ্লেক্স।

* ৯০ দিনত ৰাজ্যত ১.২১ কোটি লোকক কোভিড ভেকচিন প্ৰদান।

* আনুষ্ঠানিকভাৱে এক লাখ নিযুক্তিৰ শুভাৰম্ভ ।

* মাইক্ৰ' ফাইনেন্সৰ ঋণ ৰেহাইৰ বাবে শনিবাৰে চৰকাৰ-কোম্পানীৰ বুজাবুজিৰ চুক্তি ।

* অহা ৩১ মাৰ্চৰ ভিতৰত ৰাজ্যত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অতিৰিক্ত সাত লাখ ঘৰ নিৰ্মাণৰ লক্ষ্য।

* অহা বছৰত অসম চৰকাৰে ক্ৰয় কৰিব ছয় লাখ টন ধান ।

* বিত্তীয় ক্ষেত্ৰত দেশৰ আগশাৰীৰ ৰাজ্যসমূহৰ একেশাৰীত অসম।

* এশ দিনত ৰাজ্যিক কেবিনেটত চাৰি শতাধিক কেবিনেট সিদ্ধান্ত।

* অৰুণোদয় আঁচনিৰ ধন ৮৩০ টকাৰ পৰা এহেজাৰ টকালৈ বৃদ্ধি।

## ছেবা আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ পৰিৱৰ্তে গঢ় দিয়া হব এটা নতুন সংস্থা



বাৰ্ত্তাসেৱা- ৰাজ্য চৰকাৰৰ ১০০ দিন পূৰ্ণ হোৱাৰ ক্ষণত ৰাজ্যৰ শিক্ষা খণ্ডৰ কেতবোৰ অভূতপূৰ্ব সংস্কাৰ সাধনৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। খানাপাৰাত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ এখন গুৰুত্বপূৰ্ণ কেবিনেট বৈঠকৰ অন্তত অনুষ্ঠিত এক সংবাদমেলত শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ ক্ষেত্ৰত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্ত ঘোষণা কৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অধীনত মাধ্যমিক শিক্ষা পৰিষদ চমুকৈ ছেবা আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ — এই দুয়োটা সংস্থাক বিলয় কৰি গঢ় দিয়া হ'ব এটা নতুন সংস্থা। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে এতিয়াৰে পৰা অসমৰ শৈক্ষিক পাঠ্যক্ৰমত বাধ্যতামূলক হ'ব ভূগোল আৰু বুৰঞ্জী বিষয়। নৱম আৰু দশম

(ছয়পৃষ্ঠাত চাওক)

## সোণাপুৰত চৰকাৰী বৃদ্ধাশ্ৰম আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই



বাৰ্ত্তাসেৱা — মুখ্যমন্ত্ৰীয়ে সোণাপুৰত ৩৭ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে ডিগাৰু গেটত তিনি কোটি পঞ্চাছ লাখ টকা ব্যয়ৰে আটকধুনীয়াকৈ নিৰ্মাণ কৰি উলিওৱা চৰকাৰী বৃদ্ধ আৱাস গৃহটো শুভ উদ্বোধন কৰে। লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে — ১৫ আগষ্টৰ দিনা পতাকা উত্তোলন কৰি কৈছিলো বছৰৰ সাতটা দিন নিজ মা-দেউতাৰ লগত সময় কটাবলৈ চৰকাৰী কৰ্মচাৰীক ৭ দিন ছুটী দিম। বেচৰকাৰী প্ৰতিষ্ঠানৰ মালিকসকলকো কৰ্মচাৰীক ছুটী দিবলৈ আৰু নিজেও লবলৈ কৈছো। চৰকাৰৰ মন্ত্ৰী-বিধায়কসকলৰ লগতে ময়ো সাত দিন ছুটী ল'ম আৰু মাৰ সতে সময় কটাম। কামাখ্যা, বৰদোৱা, কাজিৰঙা আদিত ফুৰাম আৰু আনন্দ প্ৰদানৰ চেষ্টা চলাম। এনে কৰিলে মনটো পৱিত্ৰ হৈ আহিব আৰু আমাৰ মানসিকতাও পৰিৱৰ্তন হ'ব বুলি তেওঁ কয়।

(ছয়পৃষ্ঠাত চাওক)

# (চিন্তামণিৰ চিন্তা) - একবিংশ শতিকাৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ গৰাহত আমি....

মানসী মিশ্ৰ



একবিংশ শতিকাৰ নাগৰিক আমি। বিজ্ঞান আৰু প্ৰযুক্তিৰে আকাশ চুব খোজাৰ বাসনা আমাৰ। বিশ্বায়নে একাকাৰ কৰি পেলোৱা এখন আধুনিক পৃথিৱীৰ বাসিন্দা আমি। এই একৈশ শতিকাৰ বাসিন্দা সকলে গাঁৱে-ভূঞে নগৰে-চহৰে ব্যৱহাৰ কৰি আছে বিজ্ঞান আৰু প্ৰযুক্তিৰ সমন্বয়ৰে গঢ় দিয়া সকলো সা-সামগ্ৰী আৰু ইয়াৰ লগে লগে প্ৰায় সকলোৱে নিজকে আধুনিক বুলি দাবী কৰিছে। এইসকল লোকৰ অধিকাংশই পিন্ধনে উৰণে, ভাষাই, মাতে-কথাই, আচবাব-পত্ৰৰে নিজে আধুনিক মনৰ, অধুনিক ফেশ্যনৰ মানুহ বুলি দাবী কৰে যদিও এইসকল লোকে আভ্যন্তৰীন দিশ মানসিকতাৰ ফালৰ পৰা আধুনিক দৃষ্টিভংগী সম্পন্ন হৈছে জানো ? নিশ্চয় হোৱা নাই। এইখন সমাজত, আমাৰ ৰাজ্যত এতিয়াও কোবাই কোবাই মানুহ হত্যা কৰা হয়। ডাইনীৰ দৰে অন্ধবিশ্বাসত এতিয়াও মানুহক নিৰ্মম শাস্তি দিয়া হয়। এগৰাকী সুস্থ সবল মানুহক ডাইনী সন্দেহত হত্যা কৰি পেলুৱা হয়। জীয়াই থাকিলেও জীৱন্তে মৃত্যুৰ দৰেই হয়। আজিৰ একবিংশ শতিকাতো এচাম মানুহে মানুহক যিদৰে জীৱ-জন্তুৰ দৰে কোবাই কোবাই হত্যা কৰে, হয়তো জীৱ-জন্তুকো এনেদৰে হত্যা কৰিব পৰা নাযায়। একবিংশ শতিকাত বিজ্ঞান আৰু প্ৰযুক্তিৰ জয়গান গোৱা মানুহে এইখন সমাজত আজিৰ দিনতো সোপাধৰা, পিছল মানুহ আদি বিশ্বাস কৰে। খুব সঘনাই আমাৰ সমাজত একে ঘটনা হৈ থাকে। বহু ঘটনা প্ৰকাশ নোপোৱাকৈয়ে থাকি যায়। মানুহ এতিয়াও অন্ধবিশ্বাস, কু-সংস্কাৰৰ অবেষ্টনীৰ মাজত বেয়াকৈ সোমাই আছে। ছ'ছিয়েল মিডিয়াযোগে কোনো এটা উৰাবাতৰি প্ৰচাৰ হোৱাৰ লগে লগে তাৰ কোনো সত্যতা বিচাৰ কৰাৰ বাবে নিজৰ বিবেকটোক সুধি চোৱাৰ বাবে এচাম মানুহৰ সময় নহয়। আজি এই দিনতো তেনে এচাম উদণ্ড, উন্মত্ত মানুহৰ নৃশংসতাৰ মাজত পোত গৈ থকা এচাম উদণ্ড মানুহৰ নৃশসতাৰ গুৱাহাটীৰে সংস্কৃতিবান, সম্ভ্ৰান্ত পৰিয়ালৰ দুজন যুৱক। বাইক, স্মাৰ্টফোন নহ'লৈ এখোজো দিব নোৱাৰা বহুসংখ্যক মানুহৰ মাজত একৈশ শতিকাতো কুসংস্কাৰ, ধৰ্মান্ধতাৰে ভৰা মানসিকতা দেখিলেই নিজৰ মনতে প্ৰায়ে প্ৰশ্ন জাগে যে আমি এতিয়াও আদিম যুগতে বসবাস কৰি আছোঁ নেকি ? মানুহে যে এতিয়া ব্যয়বহুল শিক্ষাদীক্ষাও লৈছে, বিজ্ঞান আৰু প্ৰযুক্তিৰ উপাদানেৰে নিজকে সমৃদ্ধও কৰিছে। যি শিক্ষাই মানুহৰ মনৰ দুৱাৰ খিৰিকি মুকলি কৰিব নোৱাৰে, অন্ধবিশ্বাস, কুসংস্কাৰৰ পৰা নিজক মুক্ত কৰিব পৰা নাই, তেনে মানুহক আমি শিক্ষিত বুলি কম নে ? নে আধুনিক বুলিয়ে কম। এতিয়াও আমাৰ চৌপাশে ডাইনীৰ দৰে অন্ধবিশ্বাসত কেৱল এটা পৰিয়ালকে নহয়, সমগ্ৰ পৰিয়ালটোকে সমাজচ্যুত কৰা হয়। ইয়াৰ লগে লগে সোপাধৰাৰ দৰে অন্ধসবিশ্বসতো নিৰীহ মানুহৰ ওপৰত অত্যাচাৰ চলোৱা হ'ল। আজিৰ দিনতো ছোৱালী সন্তান জন্ম দিয়া বাবেই মহিলাক হত্যা কৰা ঘটনা এইখন পৃথিৱীতে সংঘটিত হৈ আছে। দুবছৰমান আগতে কাৰ্বি আংলং জিলাৰ ডকমাকাত সোপাধৰা সান্দেহত গাঁৱৰ ৰাইজ উঠি আহি বাঁহ কাঠেৰে অতি নিৰ্মমভাৱে কোবাই কোবাই দুজন উঠি অহা যুৱকক হত্যা কৰিছিল। এই ঘটনাই সমগ্ৰ ভাৰতবাসীকে লজ্জানত কৰিছিল। দুয়োজন যুৱকে নিজৰ পৰিচয় দাঙি ধৰি, পিতৃ-মাতৃৰ নাম কৈ অহাৰ উদ্দেশ্য জনোৱাৰ পিছতো অতি পাশৱিকভাৱে হত্যা কৰিছিল এদল উন্মত্ত জনতাই। হয়তো বনৰীয়া জীৱ জন্তবোৰেও ইমান নিষ্ঠুৰভাৱে আন জীৱ জন্তুক হত্যা নকৰে। বহুতো ক্ৰিয়াকাণ্ড দেখিলে, জীৱজন্তুৰ হিংস্ৰতাতকৈও মানুহৰ হিংস্ৰতা, উগ্ৰতা বহুবেছি ওপৰত যেন লাগে। এই দুজন যুৱকেনো কি অপৰাধ কৰিছিল। কৰ্মব্যস্ত জীৱনত সদায়ে সৃষ্টিশীল কাম কৰি অহা এই দুজন যুৱকে কাৰ কি অপৰাধ কৰিছিল ? ব্যস্ত মহানগৰীৰ পৰা কিছু আঁতৰত থাকি প্ৰকৃতিৰ নিৰিবিলি পৰিৱেশৰ মাজত সময় কটাবলৈ গৈছিল। এইখনেই আমাৰ গণতান্ত্ৰিক দেশ নেকি য'ত সৰ্বসাধাৰণ ৰাইজৰ সামান্য সুৰক্ষাও নাই। নিজৰ ঘৰৰ ভিতৰতে জীৱনটোৰ তিলমানো সুৰক্ষা নাই। পৰিয়ালৰ সুত্ৰই জনোৱা মতে, দুয়োজনে সৃষ্টিশীল কামত নিজকে জড়িত কৰি ৰখা যুৱক। পিতৃ-মাতৃ! আত্মীয় স্বজনৰ ভাষ্য অনুসৰি, দুয়োজন যুৱকেই সৃষ্টিশীল কামৰ উৎস বিচাৰি প্ৰাকৃতিক পৰিৱেশে আৰুৱা ঠাইলৈ ভ্ৰমণ কৰে। এইটো ঘটনাই প্ৰথম নহয়। এনে বহু দুৰ্ভাগ্যজনক ঘটনা ঘটি গৈছে এইখন ৰাজ্যত। ঘটনাসমূহ সংঘটিত হোৱাৰ লগে লগে চাৰিওফালে সৰব প্ৰতিবাদ, কিন্তু কেইদিন হোৱাৰ পিছতেই চৌদিশে নিজল মাৰে। বহু মাৰাত্মক ঘটনাত জড়িত অপৰাধীসকল কেনেকৈ আইনৰ সুৰুঙাই দি সাৰি যায়, সেয়া ৰাইজৰ সমূখত সবাটোকৈ ডাঙৰ প্ৰশ্ন। এনেধৰণৰ বিচাৰ সমূহ ফাষ্ট ট্ৰেক আদালতৰ যোগেদি নোহোৱা হেতুকে, আইনৰ লেহেমীয়া গতিৰ বাবেই আমাৰ ৰাজ্যখনত বহুতো মাৰাত্মক অপৰাধ সংঘটিত হৈ আহিছে। এই ক্ষেত্ৰত চৰকাৰৰ প্ৰতিনিধি দুজনমান গৈ কেইটামান টকাৰ চেক এখন দি আহিলেই সমস্যাটো শেষ হৈ নাযায়। অকালতে শেষ হৈ যোৱা মানুহজনক ঘূৰাই আনিব পাৰিব জানো ? ৰাজ্যখনত প্ৰায়ে সংঘটিত হৈ অহা এনে বিচাৰ প্ৰক্ৰিয়াৰ ওপৰত চৰকাৰখনৰ স্থিতি অতি দৃঢ় আৰু কঠোৰ হোৱা উচিত। আমাৰ বিভিন্ন পিছপৰা, দুৰ্গম এলেকাত বিশেষকৈ জনজাতীয়, চাহজনজাতীয় এলেকাসমূহত অন্ধবিশ্বাস, কুসংস্কাৰৰ মাত্ৰা বহুগুণে বেছি। এনেধৰণৰ পিছপৰা এলেকাসমূহত ব্যাপকভাৱে অন্ধবিশ্বাস, কুসংস্কাৰ

# মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ তিনি স্থানত ফুটব্ৰীজ মুকলি কৰে



বাৰ্তাসেৱা- আজি মহানগৰীৰ তিনি স্থানত ফুটব্ৰীজ মুকলি কৰিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। প্ৰথমতে ১০ কোটি ৩৮ লাখ টকা ব্যয়ৰে নিৰ্মান কৰি উলিওৱা আদাবাৰী ফুটব্ৰীজখন মুকলি কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। তাৰ পাছতেই ৯ কোটি ৭০ লাখ ৫০ হাজাৰ ব্যয় সাপেক্ষে নিৰ্মান কৰা বৰীপৰা মালিগাঁও ফুটব্ৰীজ মুকলি কৰে মুখ্যমন্ত্ৰী শৰ্মা। দুয়োখন ফুটব্ৰীজ মুকলি কৰাৰ পাছত ৭৯৮.০৪ টকা খৰচ কৰি শুক্ৰেশ্বৰত নিৰ্মান কৰা ফুটব্ৰীজ খনো মুকলি কৰা হয়। তদুপৰি, দীপাবালীৰ দিনা মুকলি কৰা হ'ব ছুপাৰ মাৰ্কেটৰ উৰণীয়া সেতুখন।

# প্ৰধানমন্ত্ৰী গ্ৰাম চড়কযোজনাৰ পথ নিৰ্মাণত ঠিকাদাৰৰ ব্যাপক গাফিলতি চাৰি বছৰৰ পিছতো সম্পূৰ্ণ নহল এটি পথ

বাৰ্তাসেৱা— প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ পথ নিৰ্মাণত ঠিকাদাৰৰ ব্যাপক গাফিলুটিৰ ফলত আজি চাৰি বছৰৰ পিছতো সম্পূৰ্ণ নহ'ল পূৰ্ণিভেৰ গাঁড়ৰৰ পৰা নিছলামাৰীলৈ যোৱা গ্ৰাম্য পথছোৱা। উল্লেখ্য যে ওদালগুৰি জিলাৰ ওদালগুৰি গ্ৰাম্য পথ গড়কাপ্তানী সংমণ্ডলৰ অধিনস্ত, পূৰ্ণিভেৰ গাঁড়ৰৰ পৰা খুছি গাঁড়ৰৰ মাজেদি নিছলামাৰীলৈ যোৱা ৮ কিঃমি দৈৰ্ঘ্যৰ গ্ৰাম্য পথছোৱা, প্ৰিয়াসী আসী ডেভেলপাৰছ প্ৰাইভেট লিমিটেডৰ স্বত্বাধিকাৰী উমেশ বেৰীয়াই ২০১৭ বৰ্ষতে ঠিকা লাভ কৰিছিল। কিন্তু আজি চাৰিটা বছৰে পথছোৱাৰ কাম ১০০ শতাংশ সম্পূৰ্ণ কৰিছে যদিও পথছোৱাৰ কেইবাটাও ঠাইয়ে ঠাইয়ে আজিলৈ নিৰ্মাণৰ কাম সম্পূৰ্ণ নহ'ল।। যাৰ ফলত খুছি গাঁড়ৰ বাসী ৰাইজে তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। তেওঁলোকে কয় যে পথছোৱাৰ কাম ঠিকাদাৰ উমেশ বেৰিয়াই ১০০ শতাংশ সম্পূৰ্ণ কৰিছে যদিও খুছিগাঁড়ৰৰ মাজ ভাগত প্ৰায় দুটাকৈ স্থানত পথ নিৰ্মাণৰ কাম সম্পূৰ্ণ নহৌওতেই দায়িত্ব সামৰাত বৰ্তমান অৰ্ধ নিৰ্মিত পথছোৱাৰ চাইড, বাম, আৰু ঠাইয়ে মখলা-মখলী গাত হ'ব ধৰাত খুছিগাৰ বাসী ৰাইজে ঠিকাদাৰ তথা বিভাগীয় অভিযন্তাক দূষী আৰুপ কৰিছে। সেয়েহে অতিশীঘ্ৰেই পথছোৱাৰ মেৰামতিৰ কামক দৃষ্টিগোচৰ কৰিবলৈ চৰকাৰলৈ আহ্বান জনাইছেঁ স্থানীয় ৰাইজে।

by Amarjit Rabha

# নিয়ম

লক্ষীপ্ৰিয়া বৰা,
গোলাঘাট

আজি জীউমণৰ জোৰোণ। আয়তীৰ উৰুলি, বিয়ানাম, দৰাঘৰীয়া কইনাঘৰীয়া আইসকলৰ হাঁহি ধেমালিৰ মাজত কইনা হৈ ফুলাম পাটীত বহি আছে তাই ।

দুৰু দুৰু কঁপে বুকু
অজান পুলক লাগি
কিনো পিন্ধিম কি যে কৰিম
লগন আহিল চাপি ঐ ৰাম লগন আহিল চাপি....

মাক দেউতাকৰ একমাত্ৰ সন্তান বৰ আলাসত ডাঙৰ দীঘল হোৱা জীউমণ। চেলেং চাদৰ এখনেৰে দীঘল ওৰণি লৈ আঁঠুতে মূৰ গুজি বহি আছে। ভাৱনাৰ ঢৌৰে ওন্দোলি আছে তাইৰ হৃদয়াকাশ। বিয়ানামৰ কৰুণ সুৰে দুৰু দুৰুকৈ জোকাৰি আছে তাইৰ বুকুখন। দুচকুত দেউতাকৰ মুখখন, মাকৰ মুখখন আৰু সৰুৰে পৰা এতিয়ালৈকে ঘৰখনত পাৰ কৰা সময়বোৰ দুচকুৰ সন্মুখত দৌৰি আছে। বুকু ফাটি বৈ আহিব খোজা চকুপানীৰ সোঁতটো প্ৰতি উশাহত গিলি থৈছে তাই। অকণমান চকুহাল চলচলীয়া হ'লেই তাইৰ কাষে কাষে থকা বৰদেউতাকৰ জীয়েক তৰা বায়েকে সকীয়াই দিয়ে "নেকান্দিবি জীউ, তই কান্দিলে খুৰা খুৰীয়েও কান্দিব নহয়।" নাই কন্দা তাই। মাকে চাদৰৰ আঁচলত ধৰি ভিতৰৰ পৰা উলিয়াই আনোতেও কন্দা নাই। কেনিও নোচোৱাকৈ তলমূৰকৈ ওলাই আহিছে মাকৰ পিছে পিছে । মাকৰ চকুৰে চকুৰে পৰিব নোৱাৰি এইখিনি সময়ত। তাইক বহুৱাই মাকও তাত এখন্তেকো নাই ৰোৱা । তাই জানে ক'ৰবাত এচুকত সোমাই দেউতাকে নেদেখাকৈ চকুহাল মোহাৰি লৈ ওঁঠত হাঁহি এটি পিন্ধি নিশ্চয় অতিথি আপ্যায়নত ব্যস্ত হৈছে। আয়তীয়ে বিয়ানাম জুৰিছে—

মাৰাৰ অলংকাৰ
থোৱা কাটি কৰি
দেউতাৰাৰ অলংকাৰ থোৱা হে'...
ৰামে দি পঠাইছে বিচিত্ৰ অলংকাৰ
হাত যোৰে কৰি লোৱা হে'...।।

শাহুৰেকে এপদ এপদকৈ কাপোৰ গহণা আদি তাইৰ হাতেৰে স্পৰ্শ কৰাইছে, আন এগৰাকীয়ে সমাজৰ আগত বস্তুবোৰ দেখুৱাইছে। বস্তু বোৰ দেখুৱাই হ'লত শাহুৰেকে সোণৰ আঙুঠি এটা তাইৰ মূৰত থৈ তেলৰ বটলেৰে তিনিবাৰ তেল ঢলাৰ নিয়ম কৰিলে। আয়তীসকলে উৰুলি দিলে। দীঘল দীঘল কৈ তিনিবাৰ। ফণীখনেৰে সেঁওতাৰ দুয়োফালে ফুৰাই দিলে তেওঁ। তাৰ পিছত সেন্দুৰৰ টেমাটোৰ পৰা সোঁহাতৰ অনামিকা আঙুলিত সেন্দুৰ অকণ লগাই আনিলে । তাই চকুহাল জোৰকৈ মুদি দিলে।

উফ.... এই মাত্ৰ যেন তাইৰ পৃথিৱীখন সলনি হৈ যাব। আয়তীৰ উৰুলিত মুখৰিত হোৱা এক লহমা মাত্ৰ সময়তে তাই ছোৱালীৰ পৰা বোৱাৰী হ'ব। তাই মাক দেউতাকৰ একমাত্ৰ জীয়ৰীৰ পৰা কাৰোবাৰ পত্নী হ'ব। কাৰোবাৰ বোৱাৰী হ'ব। সেন্দুৰ পিন্ধি তাই বাৰু মাক দেউতাকৰ আগত কেনেকৈ উলাব!! চকু মুদিয়েই তাই অনুভৱ কৰি থাকিল মাথোঁ তাইৰ সেঁওতাত, কপালত জীৱনৰ পট পৰিৱৰ্তন কৰা এটি ক্ষণিকৰ পৰিক্ৰমা স্পৰ্শ কোনোবাই কৈ উঠিল নাকত সেন্দূৰ পৰিছে দেই, অনুজে বৰ মৰম কৰিব আমাৰ জীউক। তাই লাজ লাজকৈ মিচিকিয়ালে। অজান শিহৰণ এটাই চুই গ'ল পলকতে তাইক। দৰাৰ মাহীয়েক এগৰাকীয়ে বৰ মৰম কৰি তাইক সজাবলৈ উঠি আহিছে। মাহীয়েকে চেলেং চাদৰ খন আঁতৰাই তাইৰ থুঁতৰিত ধৰি ওপৰলৈ মুখখন দাঙি মৰমেৰে গালখন মোহাৰি দিলে। "অনুজৰ পছন্দ বৰ ধুনীয়া দেই" বুলি তাইক জোকালেও। তেওঁ তাই পিন্ধি থকা কাপোৰবোৰ, অলংকাৰ বোৰ এপদ এপদ কৈ খুলি ওচৰতে বহি থকা তৰা বায়েকক চমজাই দিছে। তাইৰ আপোন, চিনাকি গোন্ধ থকা বস্তুবোৰ লাহে লাহে তাইৰ পৰা আঁতৰ হৈ গৈ আছে। নতুন আ-অলংকাৰ, কাপোৰৰ অচিনাকি গোন্ধে তাইক মেৰিয়াই ধৰিছে। তাই যেন ঘৰখনৰ পৰা, মাক-দেউতাকৰ পৰা আঁতৰি গৈ আছে। আয়তীসকলে বিভিন্ন কথা, যোৱানাম, ৰং ধেমালিৰে চৌপাশ মুখৰ কৰিছে। জীউমণৰ বুকুখনক চিনাকি আপোন ঠাইকণ, মৰমৰ ঘৰখন, মাক দেউতাকৰ সৈতে মৰমৰ ঘৰখনত প্ৰতি মুহুৰ্ত্তে থাকিবলৈ নোপোৱাৰ বেদনাই থকা সৰকা কৰিছে। তাইৰ অন্তৰখনে হাও হাওকৈ কান্দি পেলাইছে। কিন্তু ডাঙৰকৈ কান্দিব নোৱাৰে। তাই কান্দিলে মাক দেউতাকে কেনেকৈ সহিব! তাইৰ আশে-পাশে বহি থকা মানুহবোৰেও বুজে, লাহে লাহে পতা কথাবোৰ তাইৰ কাণত পৰে। "সেইকাৰণে আৰু এটা ল'ছালি লাগে। এতিয়া নাই বুলিলে নাই। ছোৱালীজনী ওলাই যোৱাৰ পিছত উদং হৈ পৰিব।" তাই বুজি নাপায় এইখিনি তাইৰ জীৱনৰ ভাল লগা সময় নে বেয়া লগা সময়(?) তাই এটাই বুজিছে এইখিনিয়েই তাইৰ জীৱনৰ, অকল তাইৰেই নহয় প্ৰত্যেক নাৰীৰ জীৱনৰ চিৰস্মৰণীয় সময়। সকলোৰেই সহি আহিছে। দুবছৰৰ আগতে তৰা বায়েকৰ বিয়া, তায়ো সহিছিলে এনেকৈয়ে। তৰা বা, মাক, বৰমাক, শাহুৰেক, তাইৰ চাৰিওফালে বহি থকা বিবাহিত সকলো নাৰীয়েই এই নীতি নিয়মৰ ভৰ সহি চকুলো বোৱাই পাৰ কৰি আহিছে এই সময়বোৰ। এই সময়খিনি পাৰ কৰা যে বৰ দুৰ্বিসহ হৈছে! তাতে বিভিন্ন নিয়মবোৰৰ বাবে তাই বাৰে বাৰে অসহজ হৈছে। আবেগিক হৈছে। চকুপানী বোৰ গিলি গিলি তাই ভাগৰি গৈছে। জোৰোণৰ আগদিনা কন্যাদানৰ ভোজৰ দিনা বৰমাকে কৈ আছে মাৰ দেউতাৰক তামোল এখন দি সেৱা কৰিব লাগিব জীউ। এইটো নিয়ম। তাই নকৰে। কেনেকৈ মুখামুখি হ'ব। এইকেইদিন এনেও তাই মাক দেউতাকৰ পৰা আঁতৰিয়েই ফুৰিছে! খুউব কমকৈ হে মুখা মুখি হৈছে। বিয়াৰ জা- যোগাৰ, আলহি দুলহীৰ উখল মাখলত তাই আঁতৰি থকাৰ সুবিধাও পাইছে। লুকাই লুকাই কান্দিছে তাই। ভাতৰ পাত একেলগে বহিলেও কেনিও নোচোৱাকৈ তলমূৰকৈ পটাপট খাই উঠি আহে। মনলৈ আহে আৰু কেইটামান দিনৰ পিছত এইখন মজিয়াত তাই নোহোৱাকৈ ভাত খাব লাগিব। পাৰিবনে মাক দেউতাকে! মাকৰ সৈতে কটোৱা প্ৰতিটো পলে তাইক জোকাৰি আছে। কিয় জানো সৰুকালৰ কথাবোৰ তাইৰ এইকেইদিন বৰ বেছিকৈ মনত পৰিছে। বেমাৰ আজাৰ হ'লে ভাত খুৱাই দিয়া। স্কুললৈ যাওঁতে মাকে চুলি আঁচুৰি দিয়া, দেউতাকৰ চাইকেলত উঠি স্কুললৈ যোৱা, স্কুলৰ পৰা অহাৰ পৰা ছাঁৰ দৰে মাকৰ আচলত ধৰি লাগি ফুৰা। ডাঙৰ হোৱাৰ পিছতো প্ৰতিটো কথাতে মা মা কৈ চিঞৰি মাকৰ ধমকো খাই তাই। প্ৰতিটো কথা, প্ৰতিটো কাম মাকে কৈ নিদিলে, মাকে চাই নিদিলে শান্তি নাপায় তাই। আৰু দেউতাকে, হোৱাই নোহোৱাকৈ যেতিয়াই তেতিয়াই যে তাইক চিঞৰি খং উঠাই। ৰাতিপুৱা শুই উঠাৰ পৰা জীউ, ইফালে জীউ, সিফালে জীউ। পাৰিবনে দেউতাক তাইৰ অবিহনে থাকিব। তাই নহ'লে পেটলৈ ভাতকে নাযায়। মোমায়েকৰ ঘৰত, পেহীয়েকৰ ঘৰত কেইদিনমানৰ বাবে থাকিবলৈ গ'লে পিছদিনাই লৈ আনেগৈ। তাই ভালকৈয়ে অনুভৱ কৰিছে যে তাইৰ দৰেই একেবোৰ কথাকে ভাৱি এইকেইদিন মাক দেউতাকেও কান্দিছে তাইৰ অগোচৰে। তেনেস্থলত তামোল দি সেৱা কৰিবলৈ গ'লে কি পৰিস্থিতি হ'ব তাই বাৰুকৈ জানে। সেই মূহুৰ্তত তাই, মাকে, দেউতাকে পাৰিবনে হৃদয় চেপি লুকুৱাই থোৱা চকুপানীবোৰ ধৰি ৰাখিব!! ইমান সাহসী তাই নহয়!! মাকৰ, মাকতকৈও দেউতাকৰ চকুত চকুপানী চাব পৰাকৈ সাহসী নহয় তাই। কিবা কিবি অজুহাত উলিয়ায় এতিয়ালৈকে মাক দেউতাকক তামোল দিয়া নাই। জোৰোণৰ দিনটো বিভিন্ন নিয়মেৰে পাৰ হ'ল। আলহীৰ ওখল মাখল। বিয়াঘৰৰ উদুলি মোদোলি পৰিবেশ। অনেক কথাৰে মুখৰ গোটেইখন। মিটিৰ কুটুম্বৰ ল'ৰা-ছোৱালী, বাই ভণীবোৰ একেলগ হৈছে। সকলোৰে ফূৰ্টি কৰিছে। মাজতে তাইক জোকাইছেও। তাই লাজ কৰিছে। জীউমণৰো ভাল লাগিছে। কিন্তু ভাললগাবোৰ যে তাই উপভোগ কৰিব পৰা নাই। গাঁথিয়ণ খুন্দাৰ আগত পানী তুলি আহি মাহ হালধীৰে নোওৱাবলৈ আহি মাকে কান্দোনত ভাগি পৰিছিল। তাইও মূক হৈ চকুলোৰ ধাৰ বোৱাই নিশ্চুপ হৈ আছিল। কি যে নিয়মবোৰ! তাইৰ খং উঠে। পৰম্পৰা বুলিয়েই নিয়মৰ ভৰ আটায়ে সহিব নোৱাৰে। তাই নাইপৰা। দুখ সমানেই লাগিব কিন্তু নিয়মবোৰ নোহোৱা হ'লে অলপ কমকৈ সহিব লাগিলে হেঁতেন। তৰা বাৰ বিয়াত তাই দেখিছে নহয়, প্ৰতিটো নিয়ম যেন কান্দিবলৈহে কৰিছে। বৰমা আৰু ভণীয়েক মীৰাই তৰা বাক নোৱাওতে চিঞৰি চিঞৰি কান্দিছিল গাত ধৰাধৰিকৈ। বৰতাইয়ো বাৰান্দাৰ চকী এখনত বহি গামোছাৰে মুখ ঢাকি কন্দা দেখিছে। তাইয়ো সহিব নোৱাৰি কান্দি পেলাইছিল। বিয়াৰ অন্তত পুৱতি নিশা তৰা বাক উলিয়াই দিওঁতে বৰমাক কান্দি কান্দি অচেতন হৈ পৰিছিল। সেইদিনাই

( চাৰি পৃষ্ঠাত চাওক)



# বিশ্বাস

জয়া দেৱী

বৰ কঠিন জানানে কাৰোবাক বিশ্বাস কৰাটো
নাই এবাৰ কৰি চাওঁ চোন ...
মনটোৱে কয় .. কিন্তু নাজানো কিয় বাৰে বাৰে
সেই বিশ্বাস হেৰাই যায়...
তোমাক লগ পোৱাৰ দিনৰেই পৰা বুকুত
এহেজাৰ সপোন আৰু বিশ্বাস লৈ ফুৰিছিলো
জানানে!
কিন্তু তুমি যিদিনা মোক এলাগী কৰিলা .. এই
শব্দটো মই মোৰ মনৰ ডায়েৰীৰ পৃষ্ঠাৰ পৰা
একেবাৰে মচি পেলালো ....
এতিয়া তাৰ কোনো চিন -চাপ নাই
কিয় আহিছিলা তুমি মোৰ জীৱনলৈ হা?
এনেকৈ কন্দুৱাই মোক এৰি যাবলৈ ...
নে কোনো প্ৰতিশোধৰ প্ৰত্যুত্তৰ দিবলৈ ...
আজিও ভাৱো সেই কথা ...
আৰু সেয়ে চাগে কেতিয়াওঁ কাকো বিশ্বাসত
ল'ব নোৱাৰো......

# নিয়ম

তাই ভাবিছিল তাই কেতিয়াও বিয়া নহয়। তাইৰ মাকো বৰমাকৰ দৰে অচেতন হ'ব। মাকৰ সামান্য কিবা গা অসুখ এটা হ'লেই তাই কান্দি পেলাই। কিমান যে ব্যস্ত হৈ পৰে মাকক সুস্থ কৰিবলৈ। তেনেস্থলত মাকক অচেতন অৱস্থাত এৰি তাই ঘৰখনৰ পৰা ওলাই যাব?? কেনেকৈ তাই ইমান নিষ্ঠুৰ হ'ব! তথাপিও বহুত চিন্তা ভাৱনা আৰু বুজনিৰ অন্তত সংসাৰৰ নিয়ম মানি সাজু হৈছে বিয়াৰ বাবে তাই। মাক দেউতাকৰো সপোন তাইৰ বিয়াখনক লৈ। তাইয়ো সুখৰ সংসাৰ এখনেৰে সুখী হওক সেয়া তেওঁলোকৰ আশা। পুত্ৰৰ দৰে জোঁৱাই এটা পোৱাৰো হেঁপাহ। বিয়াৰ পিছতো যে তাই মাক দেউতাকক অকলে এৰি নিদিয়ে। দুয়োখন ঘৰৰ সমানেই দায়িত্ব ল'ব লাগিব। এই সকলোখিনি হ'ব লগা স্বামী অনুজৰ স'তে থানথিত খোৱাইহে বিয়াত সন্মতি দিছে তাই। অকলেই জীৱন পাৰ কৰিব পৰাকৈ তাই সাহসী যদিও কিছু ক্ষেত্ৰত বিবাহৰ প্ৰয়োজনীয়তাকো তাই একেবাৰে উলাই কৰিব নোৱাৰে। নিয়াৰিকৈ জীৱনৰ দায়িত্ব সমূহ পালন কৰিবলৈকে শাৰীৰিক তথা মানসিকভাৱে সুশৃংখলিত সম্বন্ধ এটাৰ প্ৰয়োজনীয়তাক তাই আওকান কৰিব নুখুজিলে। আনহাতে অনুজকো তাই ভালকৈয়ে জানে। বন্ধুত্বৰে সমাহিত বুজা পৰা আগৰ পৰাই আছে দুয়োৰে। গতিকে অনুজৰ সৈতে অৱশেষত তাই বিয়াত বহিবলৈ মান্তি হ'ল। আজি জীউমণৰ বিয়া। পুৱাতেই ভকতে ৰভাতলত বিয়াৰ নাম প্ৰসঙ্গ কৰিছে। কাইলৈ ৰাতিপুৱা তাই গুচি যাব এইখন ঘৰ এৰি। তাইৰ জন্মৰ আপোন ঘৰখন এৰি। আহি থাকিলেও কথাবোৰ অলপ হ'লেও বেলেগ হ'ব। এইখিনি সময়ত তাইৰ মন গৈছে একান্ত মনে নিৰলে অলপ সময় ঘৰৰ প্ৰতিটো চুক কোণ চাই ল'বলৈ। ফুলনিলৈ গৈ তাইৰ পৰশতে ফুলি উঠা ফুলনিৰ প্ৰতিজোপা ফুলৰ সৈতে কথা পাতিবলৈ। মাক দেউতাকৰ সৈতে অলপ সহজ হাঁহি ধেমালিৰে সময় কটাবলৈ।ভাৰত বিভোৰ হৈ থকা জীউমণক এটা সময়ত বৰমাকে তাইক কোঠাৰ পৰা লৈ গ'লহি নামৰ শেষত সেৱা ল'বলৈ। তাৰ পিছত বাৰান্দাতে বহি থকা মাক দেউতাকৰ সন্মুখতে তাইক বহুৱাই তামোলৰ বঁটাটো দি ক'লে— "নাপায় নহয় আইজনী, আজি তোৰ জীৱনৰ আটাইতকৈ ডাঙৰ দিন। মাৰ দেউতাৰৰ আশীৰ্বাদ ল জীউ।"—থোকাথুকিকৈ কথাষাৰ কৈ তেওঁ চকুহাল আঁচলেৰে মচি ল'লে। জীউমণ আৰু বৈ থাকিব নোৱাৰিলে। মাক দেউতাকক সাবটি ধৰি সশব্দে কান্দি পেলালে তাই।

# স্বাধীনতা সংগ্ৰাম আৰু দেশপ্ৰেমৰ পৰীক্ষাত ভাৰতীয় মুছলমান

ফখৰুদ্দিন আহমেদ



ভাৰতবৰ্ষত প্ৰায় ছশ বছৰীয়া মোগল সাম্ৰাজ্যৰ পতনৰ মুহূৰ্তত প্ৰথমে পতুৰ্গীজ সকলক আৰু পিছলৈ ইংৰাজ সকলক ব্যৱসায় কৰিবলৈ দিয়াৰ ফলতেই পৰাধীনতা স্বীকাৰ কৰিবলগা হৈছিল।এইপ্ৰক্ৰিয়াত বহুতো ঘটনা প্ৰবাহ জৰিত হৈ আছে। ইং ১৮২৬ বৰ্ষত মানৰ সৈতে হোৱা ইংৰাজ সকলৰ ইয়াণ্ডাবু সন্ধিৰ ফলত ইংৰাজ সকলে অসমকো শাসনৰ সুবিধাৰ বাবে ভাৰতবৰ্ষৰ সৈতে সামৰি লৈছিল। বেলি মাৰ নোযোৱা সাম্ৰাজ্যৰ অধিকাৰী ইংৰাজ সকলে ভাৰতবৰ্ষক শাসন কৰিবলৈ "Divide and Rule" নীতি প্ৰয়োগ কৰাৰ ফলত ক্ৰমান্বয়ে অতিষ্ঠ হৈ উঠিছিল ভাৰতবাসী। ফলত নিজৰ মাতৃভুমিৰ স্বাধীনতাৰ বাবে ভিতৰি ভিতৰি জাগি উঠিছিল সমগ্ৰ দেশবাসী। এই উমি উমি জ্বলি থকা জুই কুৰাক প্ৰকাশ কৰিছিল হজৰত শ্বাহ ওলি উল্লাহ দেহলৱীয়ে। পিছলৈ তেখেতৰ সুসন্তান শ্বাহ আব্দুল আজিজ দেহলৱীয়ে ইংৰাজৰ বিৰুদ্ধে প্ৰথম যুদ্ধ কৰাৰ ফটোৱা জাৰি কৰিছিল। ইংৰাজৰ বিৰুদ্ধে কৰা স্বাধীনতা সংগ্ৰামত ভাৰতবৰ্ষৰ হিন্দু, মুছলমান, শিখ, খ্ৰীষ্টান, জৈন, বৌদ্ধ সকলো ধৰ্মাৱলম্বী লোকে যোগদান কৰিছিল । এই সকলৰ ভিতৰত জাতিৰ পিতা মহাত্মা গান্ধী, নেতাজী সুভাস চন্দ্ৰ বসু, পণ্ডিত জৱাহৰলাল নেহৰু, বাল গংগাধৰ তিলক, লালা লাজপট ৰয়, বিপিন চন্দ্ৰ পাল, ভীমৰাও আম্বেদকাৰ, মৌলানা আবুল কালাম আজাদ, পিয়লি ফুকন, মনিৰাম দেৱান, গোপীনাথ বৰদলৈ আদি আছিল অন্যতম। ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত আন সকলো ধৰ্মৰ লোকৰ সৈতে মুছলমান সকলৰো বৰঙনি আছে। বিশেষকৈ ভাৰতীয় উলামা সকলৰ ত্যাগ এই ক্ষেত্ৰত উল্লেখনীয়। ইংৰাজ বুৰঞ্জীবিদ সকলৰ দ্বাৰা মূলতে লিখিত ভাৰতীয় স্বাধীনতাৰ ইতিহাসত এনে ত্যাগৰ ঘটনাৱলী পাবলৈ বিৰল। বিখ্যাত জালিয়ানাবালাবাগৰ নিৰ্মম হত্যাকাণ্ডৰ পিছত স্বাধীনতা সংগ্ৰামী খান আব্দুল গফ্ফৰ খানে জেনেৰেল ডায়াৰক প্ৰত্যাহ্বান জনাই কৈছিল আপুনি যদি গুলিত শ্বহীদ হোৱা মুছলমানৰ পিঠিত গুলিৰ আঘাত দেখুৱাব পাৰে তেন্তে মই স্বাধীনতা সংগ্ৰামৰ পৰা অব্যাহতি ল'ম। তাৰ পিছত শ্বহীদ হোৱা সত্তুৰ গৰাকী মুছলমানৰ পোষ্ট মৰ্টেম ৰিপোৰ্টত বুকুত গুলি বিদ্ধ হোৱাটো প্ৰমান হয়। দেশৰ স্বাধীনতাৰ বাবেই আনৰ লগতে মুছলমান সকলেও বুকু পাতি দিয়া এয়া এক নজিৰহে মাত্ৰ। ইংৰাজৰ বিখ্যাত ইতিহাসবিদ এডৱাৰ্ড থমচনে লিখা মতে দেশৰ স্বাধীনতাৰ সপক্ষে মাত মতাৰ বাবে ইং ১৮৬৪ চনৰ পৰা ১৮৬৭ চনৰ ভিতৰত ভাৰতীয় উলামা সকলক নিশেষ কৰাৰ পৰিকল্পনা ইংৰাজ সকলে গ্ৰহন কৰিছি। সেই মৰ্মে ইংৰাজ সকলে চৈধ্য হাজাৰ উলামাক ফাঁচী কাঠত ওলমাইছিল। দিল্লীৰ চান্দনী চ'কৰ পৰা খয়বৰলৈ ৰাস্তাৰ দাঁতিত এনে এজোপা গছ নাই যি জোপা গছত কোনো উলামাক ফাঁচী দিয়া হোৱা নাছিল। তেখেত সকলৰ শৰীৰত লো গৰম কৰি দাগ দিয়া হৈছিল আৰু লাহোৰৰ শ্বাহী মছজিদৰ বাৰান্দাত ফাঁচী শাল পাতি ইংৰাজ সকলে দৈনিক আশী জনকৈ উলামাক ফাঁচী কাঠত ওলমাইছিল। ইংৰাজৰ ফাঁচী কাঠত দেশৰ স্বাধীনতাৰ বাবে সংগ্ৰাম কৰি জীৱন আহুতি দিয়া উলামা সকলক পিছলৈ জুইতজ্ব লাই দিয়াৰ ব্যৱস্থা কৰিছিল। জাতিৰ পিতা মহাত্মা গান্ধীৰ দ্বাৰা ঘোষিত অসহযোগ আন্দোলনত ইং ১৯৩০ চনত অংশ গ্ৰহন কৰি চৈধ্য হাজাৰ উলামাই দেশৰ কাৰনে কাৰাবৰন কৰিবলগা হৈছিল। এইখিনিতে জীৱনৰ আধাতকৈ বেছি সময় স্বাধীনতা সংগ্ৰামত অংশ কৰাৰ বাবে জেলত অতিবাহিত কৰা কেইগৰাকীমান মুছলমান লোকৰ নাম উল্লেখ কৰা হ'ল-১) মৌলানা চৌকত আলি, ২) মৌলানা মহম্মদ আলি, ৩) শ্বেইখুল হিন্দ মৌলানা মাহমুদুল হাচান, ৪) মৌলানা হুছাইন আহমদ মাদানী, ৫) মৌলানা চৈয়দ আহমদ ৰায়বেৰেলী, ৬) মৌলানা ইছমাইল শ্বহীদ, ৭) উবাইদুল্লাহ সিন্ধি, ৮) আটা উল্লাহ শ্বাহ বুখাৰী, ৯) মৌলানা কাচিম নানুতৱী, ১০) হাজী ইমদাদুল্লাহ মুহাজিৰে মক্কী, ১১) মহাবীৰ টিপু চুলতান, ১২) মৌলানা ৰশ্বীদ আহমদ গাংগুহী, ১৩) আশ্ব ফাকুল্লাহ খান আদি অন্যতম। অসমতো ইয়াৰ ব্যতিক্ৰম হোৱা নাছিল। অসমৰ মুছলমান সকলেও স্বাধীনতা সংগ্ৰামত জীৱন আহুতি দিছিল। ইয়াৰ প্ৰমান বিশেষকৈ দৰং জিলাৰ পাথৰিঘাটৰ কৃষক বিদ্ৰোহত প্ৰমানিত হয়। কৃষক বিদ্ৰোহত ইং ১৮৯৪ চনৰ ২৮ জানুৱাৰীত ইংৰাজৰ গুলিত শ্বহীদ হোৱা কৃষক সকলৰ একাংশ হ'ল- ১) পথৰু ছেখ, ২) ফাজিল ছেখ, ৩) হাইদিয়া ছেখ, ৪) বৰলিকিৰা ছেখ, ৫) বলি ছেখ, ৬) কাটা ছেখ, ৭) আলিম ছেখ, ৮) ভেবা ছেখ । ইয়াৰ উপৰিও ইং ১৯২২ চনৰ ১৫ ফেব্ৰুৱাৰীত কানাইঘাটত ইংৰাজৰ গুলিত শ্বহীদ হোৱা লোক সকল হ'ল- ১) মৌলানা আব্দুচ ছালাম, ২) আব্দুৰ ৰহীম, ৩) জৰ আলী, ৪) মৌলৱী আজিজুৰ ৰহমান, ৫) মুছা মিঞা আদি অন্যতম। ভাৰতবৰ্ষৰ পৰা আফগানিস্তানৰ পৰা পাকিস্তানলৈ বিভাজন হোৱালৈকে মুঠ সাত বাৰ বিভাজন হৈছে। স্বাধীনতাৰ প্ৰাকক্ষনত মুছলিম লীগৰ নেতা মহম্মদ আলি জিন্নাৰ ক্ষমতাৰ খকত ধৰ্মৰ ভিত্তিত হোৱা ভাৰতবৰ্ষৰ বিভাজনত ভাৰতবৰ্ষৰ বহুতো মুছলমানে নিজৰ দেশ খনিক এৰি পাকিস্তানলৈ নগ'ল ।জীৱনে মৰনে ভাৰতীয় হৈ থাকিবলৈ অংগীকাৰবদ্ধ হৈ ভাৰতবৰ্ষত ৰৈ গ'ল। স্বাধীনোত্তৰ কালত ভাৰতীয় মুছলমান সকলে মাতৃভুমিৰ কাৰনে সাহিত্য, সংস্কৃতি, ৰাজনীতি, সমাজনীতি, ন্যায় পালিকা, সম্প্ৰীতি, স্থাপত্য, ভাস্কৰ্য আৰু বলিউড জগত আদি সকলো ক্ষেত্ৰতে পাৰ্যমানে অৰিহনা যোগাই অহাত কৃপনালি কৰা দৃষ্টিগোচৰ হোৱা নাই। কিন্তু বিগত কিছু বছৰ ধৰি ভাৰতীয় মুছলমান সকলে দেশপ্ৰেমৰ পৰীক্ষাত অৱতীৰ্ন হৈ আহিবলগা হৈছে কাৰন দেশৰ এচাম অন্ধ ভক্তই ভাৰতীয় মুছলমানৰ অৰিহনা আৰু দেশপ্ৰমৰ ক্ষেত্ৰত প্ৰশ্নৰ অৱতাৰণা কৰি আহিছে। সাংবিধানিক ভাবে আমাৰ দেশখন ধৰ্মনিৰপেক্ষ। ইয়াত সকলো ধৰ্মৰ লোক সকলৰ অধিকাৰ সমান। বিশেষকৈ ভাৰতবৰ্ষৰ ৰাজনীতিৰ ইং ২০১৪ চনত হোৱা পট পৰিৱৰ্তনৰ সময়ৰ পৰা চলিত বি জে পিৰ শাসন কালত কিছুমান হিন্দুত্ববাদী সাধু, সাংসদ আৰু নেতাই ভাৰতীয় মুছলমানক মোগলৰ বংশধৰ বুলি প্ৰত্যক্ষ ভাবে অভিহিত কৰিছে। এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে ভাৰতবৰ্ষত প্ৰথম মছজিদটি ইং ৬২৯ খৃষ্টাব্দত কেৰেলা ৰাজ্যত নিৰ্মান কৰা হৈছিল। সেই সময়ত আৰবৰ মদিনা চহৰত ইছলাম ধৰ্মৰ শেষ প্ৰচাৰক হজৰত মহম্মদ চল্লাল্লাহু আলাইহি ৱা চাল্লাম জীৱিত আছিল। ভাৰতবৰ্ষৰ মুছলমান সকলৰ মাজত মোগলৰ বংশধৰ থাকিব পাৰে কিন্তু সকলো ভাৰতীয় মুছলমানেই মোগলৰ যে বংশধৰ নহয় এয়া ধ্ৰুৱ সত্য। কোনো কোনো মহলে ভাৰতীয় মুছলমান সকলৰ প্ৰাচীন ইতিহাস আৰু স্বাধীনতা সংগ্ৰামৰ ইতিহাসক পোনচাতেই নস্যাৎ কৰি দেশদ্ৰোহীৰ আসনত বহুৱাব খোজে। এনে বিকৃত মানসিকতাৰ ফলশ্ৰুতিতেই কিছুমান উগ্ৰ হিন্দুত্ববাদীৰ নিৰ্মমতাত ম'ব লিঞ্চিঙৰ দৰে জঘন্য কাণ্ডদেশৰ বিভিন্ন ৰাজ্যত ইতিমধ্য ইতিমধ্যে সংঘটিত হৈ গৈছে। এটি প্ৰবাদ আছে " ইতিহাস বিকৃত কৰিব পাৰি কিন্তু সলনি কৰিব নোৱাৰি।" সাম্প্ৰতিক সময়ৰ ৰাজনৈতিক বাতাবৰনত দীন দয়াল উপাধ্যায়ৰ প্ৰচাৰ যিমান হৈ আছে জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰচাৰ কমি গৈছে । আনকি জাতিৰ পিতা গৰাকীৰ হত্যাকাৰী নাথুৰাম গডছেক পুজাৰ বেদীত বহুওৱা হৈছে। পৰিস্থিতিৰ তাগিদাত ভাৰতীয় ইতিহাসৰ বিকৃতকৰন প্ৰক্ৰিয়াত হয়তু ভাৰতীয় মুছলমানৰ স্বাধীনতা সংগ্ৰামৰ গৌৰৱোজ্বল ইতিহাসৰ বিলুপ্তি ঘটিব, কিন্তু যুগে যুগে মাতৃভুমি ভাৰতবৰ্ষৰ প্ৰতি থকা দেশপ্ৰেমৰ সফল প্ৰদৰ্শনত ভাৰতীয় মুছলমান সদায় প্ৰথম শাৰীত অৱস্থান কৰি থাকিব।

# অভিৰ আনন্দ

মঞ্জুষা শৰ্মা



আজি অভিক পাই কোনে ? আজিযে এক বজাৰ পৰাই দেউতাক তাৰ লগত আছে। আনদিনা অভিয়ে গোটেই সময়খিনি তাৰ আইতাক অৰুন্ধুতীৰ লগতেই কটাই। ৰাতি যেতিয়া দেউতাক আহে তেতিয়া দূৰদৰ্শনৰ মনোৰঞ্জন অনুষ্ঠানবোৰ চাই আইতাকে বাঢ়ি দিয়া ভাত খাই দুয়ো শুই পৰে। কিন্তু আজি অভিৰ মন আনন্দত উৎফুল্লিত। পিতা — পুত্ৰ দুয়ো বহি দূৰদৰ্শনৰ অনুষ্ঠান চোৱাৰ লগতে তাৰ কথামতে দেউতাকে অনলাইনত এটা অনুবীক্ষণ যন্ত্ৰৰ অৰ্ডাৰ দিছে। গতিকে আজি সি দেউতাকৰ কথা পেলাব পৰাই নাই। হঠাৎ অভিয়ে দেখিলে যে “ব্ৰেকিং নিউজ ” ত বাৰে বাৰে ৪২ বছৰৰ পিছত ১৫ আগষ্টত অসম বন্ধ নহয় বুলি দি আছে। সি আচৰিত হৈ দেউতাকক ‘কিয় এনেদৰে দিছে বুলি’ সুধিলে। কিন্তু দেউতাক বাতৰি চোৱাত ব্যস্ত হৈ থকা দেখি সি পুনৰ মাত মতাত তেওঁ ৰ’বাচোন বুলিহে ক’লে। তাকে শুনি আইতাক অৰুন্ধুতীয়ে নাতিয়েক অভিক নিজৰ ওচৰলৈ মাতি আনি সুধিলে — ১৫ আগষ্টতনো কি হৈছিল কোৱাচোন সোন ? অভিয়ে ক’লে কেলে আইতা ১৫ আগষ্টত আমাৰ দেশ স্বাধীন হৈছিল নহয! কিন্তু আইতা সেইদিনটোতো আমি সকলোবোৰ ঘৰতেই থাকি দূৰদৰ্শনত দিয়া অনুষ্ঠানবোৰহে উপভোগ কৰোঁ। তোমালোকৰ দিনত তেনে নাছিল নেকি ? এইবছৰ যে বন্ধ নহয় বুলি দিছে ? তুমি ঠিকেই ভাৱিছা। এতিয়া তোমালোকে যি দেখিছা বা কৰিছা সেই ফালৰ পৰা তোমাৰ ধাৰণা শুদ্ধ। কাৰণ আমাৰ দিনত সকলোৱেই মিলি বিভিন্ন ধৰণৰ অনুষ্ঠান পাতি ১৫ আগষ্টৰ দিনটো উপভোগ কৰিছিলো। বিশেষকৈ তেতিয়াৰ দিনতো এতিয়াৰদৰে প্ৰতিখন বিদ্যালয়তে পতাকা উত্তোলন কৰে যদিও বিশেষ এখন বিদ্যালয়ত স্বাধীনতা দিৱসৰ বিভিন্ন কাৰ্যসূচীৰে এটি অনুষ্ঠানৰ আয়োজন কৰে। তালৈ প্ৰতিখন বিদ্যালয়ৰ পৰা বচা বচা কেইজন মান ছাত্ৰ-ছাত্ৰীক এজন শিক্ষকে

*(ছয় পৃষ্ঠাত চাওক)*




# সোণাপুৰত চৰকাৰী বৃদ্ধাশ্ৰম আনুষ্ঠানিকভাৱে

এখন নতুন অসম গঢ়াৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে যে আন্দোলন কৰি নতুন অসম গঢ়িব নোৱাৰি। নতুন অসম গঢ়িব লাগিব কাৰ্যালয়ত এঘণ্টা বেছিকৈ কাম কৰি, মা-দেউতাক সন্মান কৰি বা কন্যা সন্তানক সুৰক্ষিত ভৱিষ্যতৰ দিশে আগবঢ়াই নিহে। এই চৰকাৰে সম্ভৱ বুলি নভবা বহু কাম এই পাঁচ বছৰত সম্পূৰ্ণ কৰিব। এক লাখ নিযুক্তি অসম্ভৱ বুলি ভাবিছিল কিন্তু আমি নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিলো। নতুন চৰকাৰে কাৰ্যভাৰ লোৱা এশদিন সম্পূৰ্ণ হোৱাৰ দিনটোতে সমাজ কল্যাণ বিভাগে সোণাপুৰত চৰকাৰী বৃদ্ধ আৱাস সম্পূৰ্ণ কৰি পৱিত্ৰ কামৰে বিভাগটোৱে পৱিত্ৰতা দিছে। সমাজ কল্যাণ বিভাগে বহু সিদ্ধান্ত গ্ৰহণ কৰিছে শিশুসকলে যাতে পুষ্টিকৰ খাদ্য পাব পাৰে, দিব্যাংগসকলে যাতে সময়মতে পেঞ্চনৰ আঁচনিৰ ধন মাহৰ দহ তাৰিখে পায় তাৰ ব্যৱস্থাৰ লগতে বিভাগটোত খালী হৈ থকা পদসমূহত নিযুক্তিৰ প্ৰক্ৰিয়া আদিৰ বাবে নিৰ্দেশনা দিয়া হৈছে। আনহাতে বিভাগটোৱে বকোৰ বামুনি গাঁৱত ৬০ বিঘা ভূমিত বৃদ্ধ আৰু শিশুসকলৰ বাবে অত্যাধুনিক আৱাস গৃহ এশ কোটি টকাৰ ব্যয়ত নিৰ্মাণ কৰা হ'ব বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ অধীনস্থ সোণাপুৰ চৰকাৰী বৃদ্ধাশ্ৰমৰ নৱনিৰ্মিত আৱাস গৃহটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি ইয়াত বসবাস কৰা আৱাসীসকলৰ বাবে উৎসৰ্গিত কৰে।

# ছেবা আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা

শ্ৰেণীত এই দুয়োটা বিষয় বাধ্যতামূলক হ'ব বুলি উল্লেখ মুখ্যমন্ত্ৰীয়ে কয় যে ছাত্ৰ-ছাত্ৰীসকলে ভাৰত বুৰঞ্জী, অসমৰ বুৰঞ্জী আৰু ভাৰতৰ ভূগোল তথা অসমৰ ভূগোল পঢ়াটো বাধ্যতামূলক হ'ব। ইফালে অহা ২০২২ চনৰ এপ্ৰিল মাহৰ পৰা ৰাজ্যখনত ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ আৰম্ভ কৰা হ'ব বুলি ঘোষণা কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি কয় যে অহা বছৰৰ পৰা ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল হিচাপে নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। ৰাজ্যিক কেবিনেটে এই সিদ্ধান্তত অনুমোদন জনাইছে। এই সিদ্ধান্তৰ ফলত ৰাজ্যত বৰ্তমানে থকা সকলোবোৰ হাইস্কুল উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হ'ব। আকৌ ৰাজ্যত থকা সকলো জুনিয়ৰ কলেজক নৱম আৰু দশম শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে কয় যে ৰাজ্যখনত প্ৰায় ৫৬০০ খন হাইস্কুল আছে। তেনেস্থলত ইমান বৃহৎসংখ্যক হাইস্কুল উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ প্ৰয়োজন নাই। ঠাইভেদে বহুসংখ্যক হাইস্কুল সংলগ্নকৰণৰ ব্যৱস্থা কৰা হ'ব। মুঠতে এই সকলো কাম সমাপন কৰি অহা ২০২২ চনৰ এপ্ৰিল মাহৰ পৰা ৰাজ্যৰ শিক্ষা ব্যৱস্থাত ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ধাৰণা প্ৰৱৰ্তন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰে।

# আকৌ এবাৰ এজনী কণমানিৰ নাম অন্তৰ্ভুক্ত হ'ল ইণ্ডিয়া বুক অফ ৰেকৰ্ডছত

**বাৰ্ত্তাসেৱা** – কোনোবা মহান ব্যক্তিয়ে কৈছিল যে, "প্ৰকৃত প্ৰতিভাক কোনোৱেই বেছি দিনলৈ লুকাই ৰাখিব নোৱাৰে, সেই প্ৰতিভা এদিন নহয় এদিন হ'লেও পোহৰলৈ আহিবয়েই।" আকৌ এবাৰ টিহুৰ হাতিপৰাৰ সৌৰভ শৰ্মা আৰু কাকলি কাশ্যপৰ একমাত্ৰ ছোৱালী হৰ্ষিতা শৰ্মাই তাইৰ নাম অন্তৰ্ভুক্ত কৰিলে ইণ্ডিয়া বুক অফ ৰেকৰ্ডছত। হৰ্ষিতাৰ বয়স ২ বছৰ ১০ মাহ। দেউতাক সৌৰভ শৰ্মাই বৰমাত বিজুলি বিভাগত চাকৰি কৰে আৰু মাতৃ কাকলি কাশ্যপ এজনী শিক্ষয়িত্ৰী। কণমানি হৰ্ষিতাক এতিয়াও স্কুলত নামভৰ্তিয়ে কৰোৱা নাই কিন্তু হৰ্ষিতাই ঘৰতে কিতাপ তথা মোবাইলত চাই চাই স্কুলত নাযাওঁতেই নাৰ্চাৰি শ্ৰেণীৰ পাঠ্যক্ৰম প্ৰায় শেষ কৰি পেলাইছে। হৰ্ষিতাই সুন্দৰকৈ ক'ব পাৰে মানুহৰ শৰীৰৰ প্ৰায় ১১ টা অংগৰ নাম, বহুতো জীৱ-জন্তু, চৰাই-চিৰিকতিৰ লগতে বিভিন্ন শাক-পাচলি, ফল-মূল আদি বহুতৰে নাম। এজনী কণমানি শিশু যাক এতিয়ালৈ স্কুলত নামভৰ্তিয়ে কৰোৱা নাই তেনে এজনী শিশুৰ ইমানখিনি জ্ঞান থকাটো সঁচাকৈয়ে আচৰিত কৰি তুলিছে সকলোকে। সেইবাবে হৰ্ষিতাই ইণ্ডিয়া বুক অফ ৰেকৰ্ডছতো নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে।

**by Sahil Mallick**

# (চিন্তামণিৰ চিন্তা).....

আদিৰ ওপৰত সজাগতামূলক কাৰ্যসূচী হ'ব লাগে। এইক্ষেত্ৰত প্ৰচাৰমূলক মাধ্যমসমূহো যথেষ্ট সক্ৰিয় হব লাগে কিয়নো এনে ধৰণৰ ঘটনা সমূহ পঢ়াৰ লগে লগে প্ৰকৃত তথ্যসমূহ পোহৰলৈ আহিব। দৰাচলতে আমাৰ ৰাজ্যখনত নিৰ্বাৰণ আৰু নিৰ্মূলকৰণৰ এখন কঠোৰ আৰু কটকটীয়া আইন হব লাগে। ৰাজ্যখনত যিটো বিয়াগোম আৰক্ষী বিভাগ আছে তেওঁলোকেও এনে দূৰ্গম এলেকা সমূহত অধিক তৎপৰ হ'ব লাগে। চৰকাৰীভাৱেও ৰাজ্যখনৰ দূৰ্গম, জনজাতীয় অঞ্চলসমূহৰ বাবে যিখিনি সজাগতা মূলক কাৰ্যসূচী হ'ব লাগে সেইখিনি আজি পৰ্যন্ত হৈ উঠা নাই। আনকি এই পিছপৰা লোকসকলৰ মাজত এনে অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে এখন আঁচনিৰ প্ৰৱৰ্ত্তন হোৱা নাই, এখন নিৰ্দ্দিষ্ট আইন হৈ উঠা নাই। এখন গণতান্ত্ৰিক দেশৰ সৰ্বপ্ৰথম দায়িত্ব সৰ্বসাধাৰণ ৰাইজৰ জীৱনসমূহক নিৰাপত্তা দিয়া। কিন্তু আমাৰ ৰাজ্যত সেয়া কিমানদূৰ সফল হৈছে, প্ৰতিজন সচেতন ব্যক্তিয়ে নিজক সুধি চালেই গম পাব। চৰকাৰৰ লগতে আমাৰ সমাজৰ কুসংস্কাৰ মুক্ত কৰাৰ ক্ষেত্ৰত সমাজৰ প্ৰতিটো স্তৰৰ লোকৰে দায়বদ্ধতা আছে। আমি প্ৰত্যেকেই নিষ্ঠা আৰু আন্তৰিকতাৰে সেইখিনি কৰিবলৈ আগবাঢ়ি যাব লাগে।

# অভিৰ আনন্দ

নিজৰ তত্ত্বাৱধানত লৈ যায়। এনেদৰে বিভিন্ন বিদ্যালয়ৰ পৰা সেই নিৰ্দ্দিষ্ট বিদ্যালয়ত বহুতো ছাত্ৰ-ছাত্ৰী একত্ৰিত হয় হি। তাৰ পিছত নিৰ্দ্দিষ্ট সময়সূচী মতে অনুষ্ঠিত হোৱা প্ৰতিযোগিতাবোৰত তেওঁলোকে অংশ গ্ৰহণ কৰে আৰু শেষত তেওঁলোকলৈ সাজু কৰি ৰখা খাদ্যবোৰ লৈ পুনৰ ঘৰলৈ ঘূৰি আহে। সৌভাগ্যক্ৰমে এই অনুষ্ঠানৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰিবৰ বাবে প্ৰস্তুত কৰা তালিকাত মোৰ নামটো সন্নিবিষ্ট হৈ থাকে। আমাৰ যে কিমান ভাল লাগে সেই টোপোলাটো পাই! তাত কি থাকে জানা? তিয়াই থোৱা কেঁচা বুট, কল, বিস্কুট আৰু কি আছিল মনত পেলাব যে পৰাই নাই অ'! তেতিয়াৰ দিনত পেকেটবোৰ খাকী ৰঙৰ কাগজেৰেহে তৈয়াৰ কৰা হৈছিল। হঠাৎ এই আনন্দবোৰ এক বুজাব বা একোৱেই ক'ব নোৱাৰা এটা কল্পনাতীত বাস্তৱ সত্য ঘটনাৰ বাবেই স্তব্ধ হৈ পৰিল। যাৰ বাবে সেইদিনটোত যিসকল ব্যক্তি নিজৰ কৰ্তব্যৰ খাটিৰত সেই অনুষ্ঠানত উপস্থিত থাকি বলগীয়া হৈছিল তেওঁলোকৰ যেন জীৱন বিপদাপন্ন নহয় তাৰবাবে সদৌ দেশবাসীয়ে ভগৱানৰ ওচৰত নীৰৱে প্ৰাৰ্থনা জনাই ৰৈছিল আৰু কাতৰ ভাৱে প্ৰাৰ্থনা জনাইছিল যাতে সেই আনন্দ উল্লাহেৰে উদযাপন কৰা ১৫ আগষ্টৰ দিনটো পুনৰ ঘূৰি আহে। আজি উক্ত বাক্যশাৰীয়ে আমাৰ নিচিনা লোকক পুনৰ আনন্দিত কৰি তুলিছে। আশাকৰো অহাবছৰৰ পৰা তোমালোকেও আমাৰ দৰেই এই স্বাধীনতা দিৱসৰ দিনটোত অংশ গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচীসমূহ নিজ নিজ বিদ্যালয়ত উপস্থিত থাকি মুকলি মনেৰে উপভোগ কৰিব পাৰা। অ...ৰ'বা ৰ'বা আচল কথাটোলৈ অহাই নাই নহয়। এই ১৫ আগষ্টৰ দিনটোতে ইংৰাজে আমাক সম্পূৰ্ণ ৰূপে স্বাধীনতা প্ৰদান কৰাৰ বাবেই পৰাধীনতাৰ শিকলি ছিঙি স্বাধীন হোৱাৰ আনন্দতেই ইমান উল্লাহেৰে এই দিনটো উদযাপন কৰা হৈছিলঞ্জ কিন্তু কি জানা ! ইমান আনন্দ — ফুৰ্তি কৰাৰ ক্ষেত্ৰত কেইজনমান মহান ব্যক্তিৰ অপ্ৰাণ প্ৰচেষ্টাৰ ফলতহে সম্ভৱ হৈছিল। অশেষ কষ্ট স্বীকাৰ কৰি নিজৰ জীৱনতকৈও দেশক বেচি গুৰুত্ব দি যোৱা সেই ব্যক্তিসকলৰ নাম হয়তো তুমি শুনাই নাই। মই এতিয়া তোমাক সেই সকলৰ ভিতৰৰে কেইজনমানৰ নামহে কম। মনত ৰাখিবলৈ চেষ্টা কৰিবা। ভগত সিং, মহাত্মা গান্ধী, সুভাষ চন্দ্ৰ বসু, বাল গংগাধৰ তিলক, চন্দ্ৰ শেখৰ আজাদ, জৱাহৰলাল নেহৰু, চৰ্দাৰ বল্লভ ভাই পেটেল, ঝান্সী ৰাণী লক্ষ্মী বাই, মঙ্গল পাণ্ডে, সৰোজিনী নাইডু, ৰাম প্ৰসাদ বিচমিল, লালা ৰাজপত ৰায়, বিনায়ক দামোদৰ চাৰ্ভাকাৰ, বিপিন চন্দ্ৰ পাল, মাতঙ্গীনী হাজৰা, চিত্ৰৰঞ্জন দাস, আচফাকুল্লা খান, খুদীৰাম ব'চ, ভিকাজি কামা, লাল বাহাদুৰ শাস্ত্ৰী, চক্ৰৱৰ্তী ৰাজা গোপালাচাৰী, সুখদেৱ, দাদা ভাই ন'ৰজি, কে এম মুন্সী, আব্দুল হাফিজ মহম্মদ বৰকটুল্লা, বেগম হজৰত মহন, তৰুণৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ, গোপীনাথ বৰদলৈ, তান্তিয়া তোপি, ৰাজেন্দ্ৰ প্ৰসাদ, অৰবিন্দ ঘোষ, স্বামী বিবেকানন্দ, মনিৰাম দেৱান, কুশল কোঁৱৰ, কনকলতা, ক্ষুদিৰাম, প্ৰফুল্ল চাকী আদি। হ'ব দিয়া আজিলৈ মোৰ মনত পৰা নাম কেইটা থাওকতে কৈ থলো কেতিয়াবা তোমাৰ কামত আহিব। পাছে পৰে বাৰু বহলাই কম দেই। নহ'লে আকৌ তোমাৰ প্ৰিয় চি আই ডি গ্ৰুপৰ সকলো সদস্যই আহি দূৰদৰ্শনৰ পৰ্দাত পদাৰ্পণ কৰিবহিয়েই। সঁচাকৈয়ে আইতা। বলা বলা আইতা আজি বহুত ব্যক্তিৰ নামেই জানিব পাৰিলোঁ। বৰ ভাল লাগিল দেই। মোৰ মৰমৰ আইতাজনীয়ে বহুত কথাই জানে। সেয়েহে তুমি মোৰ বৰ মৰমৰ বুলি আইতাকক সাবতি ধৰি দূৰদৰ্শনৰ নিৰ্দিষ্ট অনুষ্ঠানটি চাবলৈ গ'ল।

Assam State Disaster Management Authority

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

মহামাৰীয়ে আমাৰ জীৱনবোৰ
অস্বাভাৱিক কৰি তুলিলে
অজস্ৰজন ভুক্তভোগী হ'ল
বহু লোকে হেৰুৱালে আপোনজনক



# মনোজ্ঞ MANOJNA

Methodological Application of Neuroscientific Options for Judicious Natural Adjustment

আৱেগিক আৰু মানসিক স্বাস্থ্যজনিত যিকোনো সমস্যা
সমাধানৰ বাবে টেলি-পৰামৰ্শ প্ৰদানৰ ব্যৱস্থা

সময় ঃ পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ

সহায়ৰ বাবে ডায়েল কৰক
ট'ল ফ্ৰী নম্বৰ ১৪৪১০

তলত লিখিত ধৰণৰ বিষয়সমূহক লৈ
মানসিক উদ্বিগ্নতাত ভুগি আছে নেকি ?

- সাহায্য শিবিৰ বা অন্যান্য আশ্ৰয় স্থলত থাকিবলগীয়া হোৱাৰ উদ্বিগ্নতা
- বৰ্তমান বা ভৱিষ্যতৰ পৰিস্থিতিক লৈ অধিক চিন্তা
- ক'ভিড-১৯ত আত্মীয় বা বন্ধুক হেৰুৱাৰ বেথা
- উপাৰ্জন আৰু জীৱিকা হেৰুওৱাৰ সংশয়



অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা
প্ৰাধিকৰণৰ এক পদক্ষেপ

পঞ্জীয়ন কৰক :
assam.mygov.in

/mygovassam

JANASANYOG-1323/21

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow Us /@diprassam https://dipr.assam.gov.in/

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

৫ ভাদ, ১৪২৭ চন Rongili Barta, Date of Publication-- 22AUGUST, 2021

# তুমি আজি বন্দী স্বাধীনতা

**দেবাশীষ গোস্বামী**

স্বাধীনতা...
স্বাধীনতা আজি ক'ত গ'লা?
পৰাধীনতাৰ শিকলি ছিঙি
তুমিতো আহিছিলা...
ৰঙা তেজৰ ফাকু খেলি
মাতৃৰ বুকু উদং কৰি
ডেকা বুঢ়াৰ প্ৰানৰ বিনিময়ত
নদ-নদী
পাহাৰ-পৰ্বত
হাবি-জংঘল
ৰ'দ বৰষুণ
একাকাৰ কৰি
অসংখ্যজনৰ
আহুতিৰ বিনিময়ত
স্বাধীনতা তুমি আহিছিলা...
মুক্ত আকাশৰ তলত
গছ-বিৰিখ
চৰাই-চিৰিকতি
ফুল-ফল
সকলোতে মাথো
তোমাৰেই জয়গান
সকলোৰে আকুল-ব্যগ্ৰতাৰ
মুল্য তুমিতো দিছিলা
তুমি আহিছিলা....
শত শত জনৰ
ৰক্তৰে ৰঞ্জিত
দলিচাত ভৰি থৈ
তুমি আহিছিলা স্বাধীনতা...
ক'ত জনৰ চিৎকাৰ
ক'ত জনৰ আৰ্তনাদ
ক'ত জনৰ হুমুনিয়াহৰ ছন্দত
তুমি আহি
দুহাত প্ৰসাৰি
সকলোকেতো আকোৱালি লৈছিলা
কিন্তু এয়া কি???
এচপৰা কলিয়া ডাৱৰ যেন হৈ আহি
স্বাধীনতাৰ উদিত সূৰ্যটোক ঢাকি
পৰাধীনতাৰ শিকলিৰে
সকলোকে মেৰিয়াই
তীব্ৰ অট্টহাস্যৰে
বন্দীত্ব জীৱন প্ৰদান কৰি
স্বাভাৱিক গতি ৰদ্ধেৰে
ল'ৰা, ডেকা, বুঢ়া সকলোৰে
জীৱনৰ বাট সলনি কৰি
চকুৰ লোটকত স্নান কৰি
মাথো এটি ভাইৰাছ হৈ ধ্বংস যজ্ঞৰে
ক'ত যে প্ৰান কাঢ়ি নি
ৰুদ্ধ শ্বাস পৰিস্থিতি উপহাৰেৰে
কি প্ৰতিপন্ন কৰিছা তুমি?
কোৱা স্বাধীনতা....
পিছে পৰাধীনতাৰ এই মেৰপেচ
তেনেই ক্ষন্তেকিয়া
আকৌ সুদিন ঘূৰিব
আকৌ গছ-বিৰিখ
চৰাই-চিৰিকতি
ফুল-ফল সকলোৰে
মুক্ত মনেৰে হাঁহিব
বন্দীত্ব জীৱনক
ভৰিৰে মোহাৰি
মনুষ্যগনে আকৌ
তোমাৰেই জয়গান গাব...
স্বাধীনতা......

# অতিথি

**মৃদুস্মিতা শৰ্মা গোস্বামী, যোৰহাট**




ঘনাই ঘনাই ফোন কৰা ভাইবোৱাৰী শিখাৰ পৰা কিছুদিন কোনো খা-খবৰ নোপোৱাৰ বাবে ফোন কৰি জানিব পাৰিলো, সিহঁতৰ ঘৰলৈ হেনো কোনোবা গৈছে, সেইবাবে এইকেইদিন সিহঁত অতিথি আপ্যায়নত ব্যস্ত হৈ আছে। শিখায়ে আৰু জনালে যে, প্ৰথম আগমনতে সদায় অহাৰ প্ৰতিশ্ৰুতি দি লগত বিভিন্ন সম্ভাৰৰ মেটমৰা বোজা এটা লৈ প্ৰায় একেলেঠাৰীয়ে আহি আছে আৰু অতিথি শুশ্ৰূষাৰ বাবে সিহঁতেও যি পাৰে কিছু সমল যোগাৰ কৰি থ'ব লগা হয়, যাতে সেইখিনি তেওঁ লগত লৈ যাব পাৰে। কথাটো শুনাৰ পৰা মনটো কেনেবাখন লাগি থকাৰ বাবে শিখালৈ আকৌ ফোন কৰি শুধিলো বোলো, এই কৰ'না মহামাৰীৰ দিনত নিঃসংকোচে কোনো কেনিও ওলাই যাব নোৱাৰে, কাকো ঘৰলৈ নিমন্ত্ৰণ কৰিব নোৱাৰে, সকলোফালে কি এক আতংকময় পৰিবেশ, তেনেস্থলত তোমালোকেনো ক'ৰ অতিথিৰ লগত ইমান ব্যস্ত হৈ পৰিছা ? বাৰু, যি কৰিছা কৰিছা, মাত্ৰ ক'ভিড প্ৰট'কল মানি অতিথিৰ লগত দূৰত্ব বজাই ৰাখিবা আৰু ছেনিটাইজাৰ ব্যৱহাৰ কৰিবলৈ নাপাহৰিবা কিন্তু। মোৰ কথাখিনি শুনাৰ পিছত তাই কওঁ নকওঁকৈ ক'লে যে, বহুতৰ লগতে তোমালোকৰ ঠিকনাটোও অতিথিক দিছোঁ, মোনাটোত ভৰাবলৈ দিব পৰা কিবা থাকিলে দি পঠাবা । আৰু এটা কথা, এবাৰ লগ পোৱাৰ পিছত তেওঁৰ সম্ভাৰ সমূহৰ বিষয়ে মতামত লোৱাটো কিন্তু তেওঁৰ অভ্যাস। গতিকে তোমালোকৰ মতামত তেওঁক জনাবলৈ নাপাহৰিবা। কথা শুনি খঙে মূৰৰ চুলিৰ আগ পাওঁ যেন হ'ল । এই লকডাউনৰ সময়ত কাম পোৱা নাই আৰু । কিয়ে কৰা যায় ! হে ভগৱান!ঠিক তেনেতেই আহিল নহয় লয়লাস ভংগীমাৰে প্ৰায় ২৮-২৯ বছৰ বয়সীয়া এগৰাকী যুৱতী ! পৰিচয় পৰ্বৰ অন্তত জানিব পাৰিলো যে, বিভিন্নজনৰ লগত চা-চিনাকি হৈ বিভিন্ন বতৰা সংগ্ৰহ কৰিবলৈ অসম চৰকাৰৰ অনুমোদনপ্ৰাপ্ত যুৱতীগৰাকীৰ ঘৰ হেনো গুৱাহাটীৰ ধীৰেনপাৰাত । মই আৰু মোৰ স্বামীয়ে যি পাৰো দুই এপদ সমল যুৱতীলৈ আগবঢ়ালোঁ । কোনো ধৰণৰ আপত্তি নকৰাকৈ আমাৰ সেই সমল তেওঁ নিজৰ সম্ভাৰৰ লগত সামৰি লোৱা কাৰ্য্যই আমাক যথেষ্ট উৎসাহিত কৰিলে । আজিকালি তেওঁ আহিলে আমিও ভালেই পাওঁ। কাৰণ, কভিড সৃষ্ট পৰিস্থিতিত হতাশাই আৱৰি ধৰা, নাযায় নুপুৰাই যেন হোৱা আমনি লগা সময়বোৰ তেওঁৰ সংস্পৰ্শত বৰ সুন্দৰভাৱে অতিবাহিত কৰিব পাৰো। তেজ-মঙহৰ ন'হলেও, ভাৱ বিনিময়ৰ মাধ্যম ছপাশালৰ "ৰঙিলী" জনীয়ে কঢ়িয়াই লৈ ফুৰা বিভিন্ন সম্ভাৰ সমূহে আমাৰ লগতে নিশ্চয় আন বহুজনৰ মনত ৰঙৰ বোল সানিবলৈ সক্ষম হৈছে। সেয়ে তেওঁৰ অৰ্থাৎ, "ৰঙিলী বাৰ্ত্তা"ৰ যাত্ৰা সুদূৰলৈ প্ৰসাৰিত হোৱাৰ লগতে উজ্জ্বল ভবিষ্যৎ কামনা কৰিলো

# স্মৃতি


**নৱনীতা ডেকা**



ব্যস্ততাৰ ভৰা এই দুনিয়াত
সকলোতে নিজক মিলোৱাৰ চেষ্টাৰে
অসহায় মই নীৰৱ প্ৰাৰ্থী।
লগতে গোপনে সাক্ষী মোৰ স্মৃতিবোৰ, ,
হেৰৌ তহঁতে কি বুজিবি?
বুকুত লাগি থকা এই ঘাঁৰ চেকুৰা
কিমান অসহ্যকৰ...
তহতে নুবুজিবি, ,
ইয়াৰ যন্ত্ৰণা
আৰু তিক্ততাৰে পাৰ হোৱা মোৰ প্ৰতি নিশা।।
হাবি যোৱাৰ বেদনাত আত্মসমৰ্পণ সকলো, ,
সময়ে অৱকাশ দিলে এদিন সকলোৰে বুজিবি।
যদি আঁতৰে এই বিষাক্ত দিনৰ অস্তিত্ব,
তেন্তে লৈ আহিম
এটি নতুন দিনৰ সাৰথি।

# ৰ'দালি আচ্ছাদন

**সংগীতা ডেকা, ৰঙিয়া**



যদি সম্ভৱ হয়....
সমিধানহীন মলিয়ন চহৰখন
ত্যাগিব বিচাৰিম...।
আকাংক্ষাক "আলিংগিছোঁ"
আশান্বিত ডাৱৰবোৰ যেন,
উপচি পৰক হৃদয়াকাশত...।
হেঁপাহ কণ গুঞ্জৰিছে
চিন্তাবাসত যে...
বিৰিষ হ'ব পৰা হ'লে
প্ৰকৃতিৰ বুকুত শ্যামলীমাৰে
জীপালতা হৈ,
বৰষিলোঁ হেঁতেন...!
তিক্ত আৱৰণখন আঁতৰাই...!

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃ সম্পাদকঃ শ্ৰী ধীৰেণ ভট্টাচাৰ্য্য সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286